## বিজ্ঞান ধাৰাৱাহিক -- বহনক্ষম বিকাশ ...

## খণ্ড -- ৩২

## বিষয় – মৰুভূমি ৰোধ কৰো আহক ... ড০ অপৰ্ণা বুজৰবৰুৱা

মূল চৰিত্ৰ সমূহ

| | | |
|---|---|---|
| ১. নিৰ্মালি দেৱী | প্ৰধান শিক্ষয়িত্ৰী | ৫০ বছৰ বয়স |
| ২. গজেন ৰায় চৌধুৰী | সহকাৰী শিক্ষক | ৪৮ বছৰ বয়স |
| ৩. ললিত দাস | গাওঁ পঞ্চায়তৰ মুখিয়াল | ৬০ বছৰ বয়স |
| ৪. ড০ ৰমেশ চন্দ্ৰ বৰুৱা | কৃষি বিশেষজ্ঞ | ৪৫ বছৰ বয়স |
| ৫. ৰমেন ডেকা | খেতিয়ক | ৩৫ বছৰ বয়স |
| ৬. মনচুৰ আলি | খেতিয়ক | ৩২ বছৰ বয়স |
| ৭. অনিমা | ছাত্ৰী | ১৮ বছৰ বয়স |
| ৮. মুৰ্ছিদা | ছাত্ৰী | ১৮ বছৰ বয়স |

নাটকৰ আৰম্ভনি (প্ৰথম দৃশ্য)

( বৰপেটা জিলাৰ এখন গাৱঁৰ স্কুল। শিক্ষা – দীক্ষাৰ ক্ষেত্ৰত স্কুলখনৰ এটা বিশেষ নাম আছে। স্কুলখনৰ ছাত্ৰ -ছাত্ৰীয়ে মেট্ৰিক পৰীক্ষাত সদায় ভাল ফল দেখুৱাই আহিছে। এই ক্ষেত্ৰত শিক্ষক – শিক্ষয়িত্ৰী সকলৰ অৰিহণাও যথেষ্ট। কিন্তু যোৱাকালি বাতৰি কাকতত খবৰটো পঢ়াৰ পৰাই নিৰ্মালিয়ে বৰ চিন্তিত হৈ তেওঁৰ স্কুলৰ কোঠাত বহি আছে। স্কুল আৰম্ভণিৰ ঘন্টা বজাৰ শব্দ দিব পাৰে। অলপ কোলাহলো হ'ব। এনেতে গজেন ৰায়চৌধুৰী তেওঁৰ কোঠালৈ সোমাই আহি ক'ব -)

ৰায়চৌধুৰী – বাইদেউ! আপুনি মোক মাতিছে বুলি চকিদাৰে ক'লে, হয় নেকি?

নিৰ্মালি – হয় দিয়ক। কালিৰে পৰা মই এটা কথা লৈ চিন্তিত হৈ আছো।

চৌধুৰী – কি কথা বাইদেউ!

নিৰ্মালি – কালি আমাৰ অসমৰ এখন বাতৰি কাকতত পঢ়িলো যে, দেশৰ ২২৫ খন জিলাত খৰাংৰ আশংকা কৰা হৈছে। এই জিলা সমূহৰ ভিতৰত অৱশ্যে অসমৰ নাম অন্তৰ্ভুক্ত হোৱা নাই। কিন্তু কি ঠিক? যিদৰে জলবায়ুৰ পৰিৱৰ্তন হ'ব ধৰিছে কোনোবাদিনা অসমতো হ'ব পাৰে। গতিকে আমি এতিয়াৰ পৰাই সচেতন হ'ব লাগিব। কাৰণ আমাৰ ৰাজ্যৰ বেছিভাগ লোকেই খেতি – বাতি কৰিয়েই জীৱিকা নিৰ্বাহ কৰে। এনেয়ে

**বানপানীয়ে সদায় জুৰুলা কৰি আহিছেই, তাতে আকৌ খৰাঙে পাওঁক, খেতিয়কসকলৰ অৱস্থা নাজল - নাথল হ'ব। সেইকাৰণে, কাইলৈ যে, গাওঁ পঞ্চায়তৰ মিটিং আছে, মই তালৈ যাম বুলি ভাৱিছো। আপুনিও মোৰ লগত যাব লাগিব।**

**ৰায়চৌধুৰী - মিটিংখন কেই বজাত বাইদেউ?**

**নিৰ্মালি - তিনি বজাত। নামঘৰ প্ৰাঙ্গনত হ'ব। মই ৰাইজক এতিয়াৰ পৰাই এই বিষয়ে সচেতন কৰাবলৈ প্ৰয়াস কৰিম।**

**ৰায়চৌধুৰী - আপুনি সদায় ভাল কথাই চিন্তা কৰে। সেইকাৰণেইতো আমাৰ স্কুলখন সকলো ফালে ইমান আগবঢ়া। মই নিশ্চয় যাম বাইদেউ।**

**(সংগীত)**

**২ দৃশ্য**

(ৰাস্তাৰ কাষতেই নামঘৰ। গতিকে বাটেৰে গাড়ী, চাইকেল আদি যোৱাৰ শব্দ হ'ব। হৰ্ণ আদি বাজিব। মানুহ গোট খোৱাৰ সামান্য কোলাহল হ'ব। কোনোৱে ক'ব - অ' আহিছে? আহক, আহক, বহক। সকলোৱে নামঘৰ প্ৰাঙ্গনত পাৰি থোৱা পাটীত বহিব)

মুখিয়াল (দাস) - সকলো বিলাক মানুহেই আহিছে। বৰ ভাল লাগিছে। অ... আমাৰ দেখোন মাষ্টৰণী বাইদেয়ও আজি আহিছে। বাইদেউ আহিছে যেতিয়া আজি সভাপতিৰ আসনখনত বাইদেউৱেই বহক।

নিৰ্মালি - নাই নাই। সেইটো কেনেকৈ হ'ব? আপুনিয়ে বহক। মই বিশেষ কথা এটা আলোচনা কৰিবলৈহে আহিছো। কাৰণ ইয়াত সকলোকে লগ পাম। সেইকাৰণে।

দাস - কওঁকছোন! আপুনি গাওঁৰ ল'ৰা - ছোৱালী খিনিক ইমান ভাল শিক্ষা প্ৰদান কৰি আহিছে। আমাৰ গাওঁৰ আপুনি অতি সন্মানীয়া মহিলা। আমি সকলোৱে আপোনাৰ কথা আখৰে আখৰে পালন কৰিম।

সকলোৱে একেলগে - হয়, হয়। আমাৰ দাদাই ঠিকেই কৈছে।

নিৰ্মালি - মই যোৱা কালি এখন বাতৰি কাকতত পঢ়ি জানিব পাৰিলো যে, আমাৰ দেশৰ ২২৫ খন জিলাত খৰাং বতৰ হোৱাৰ আশংকা আছে। নেচনেল এগ্ৰিকালচাৰেল এণ্ড ড্ৰট এছেছেমেন্ট চিষ্টেমৰ মতে এই জিলাসমূহ মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, পঞ্জাৱ,বিহাৰ, ঝাৰখণ্ড, কৰ্ণাটক, তামিল নাডু আৰু পশ্চিমবঙ্গৰ অন্তৰ্গত। আমাৰ অসমৰ নাম ইয়াত নাই যদিও কি ঠিক, যিদৰে জলবায়ুৰ পৰিবৰ্ত্তন হ'ব ধৰিছে, অসমকো যে এই খৰাং বতৰে নুচুব, কোনে জানে? এনেই বানপানীয়ে আমাৰ খেতিয়ক সকলক কেনেদৰে জুৰুলা কৰিছে,

সেই বিষয়ে আপোনালোকৰ সকলোৰে অভিজ্ঞতা আছে, তাতে আকৌ খৰাং হ'বলৈ হ'লে খেতিয়কৰ মৰণ হ'ব, নহয় জানো?

মনচুৰ আলি – নকব বাইদেউ। আমাৰ তিনি পুৰুষে অসমৰ মাটিত খেতি কৰি জীৱন পাৰ কৰিলে। এইবাৰ বানপানীয়ে আমাৰ সব শেষ কৰি দিছে।

নিৰ্মালি – আমি সেইবোৰ সকলো জানো। সেইকাৰণেই ভাবিছো খৰাং অহাৰ আগতেই আমি তাৰ ব্যৱস্থা কৰিব লাগিব। সেইবাবে মই অহা সপ্তাহত আমাৰ স্কুল চৌহদত দেওবাৰে দিনৰ ১০ বজাত খৰাং অৱস্থা প্ৰতিৰোধ কৰা সম্পৰ্কে আপোনালোকক জ্ঞান দেবলৈ এজন বিশেষজ্ঞক নিমন্ত্ৰণ কৰিছো। সেইদিনা আপোনালোক সকলোকে উপস্থিত থাকিবলৈ অনুৰোধ জনালো। সেইদিনা সভাৰ খৰছ আদিৰ বিষয়ে আপোনালোক সকলোৱে কমেও ২০ টকাকৈ আগবঢ়ালে মই সুখী হ'ম। বাকীখিনি মই কিবা কৰি যোগাৰ কৰি ল'ম। মই যাওঁ। আপোনালোকে অৰিহণা খিনি ৰায়চৌধুৰীৰ হাতত দিলেই হ'ব। আপোনালোকে এতিয়া বেলেগ কথা আলোচনা কৰিব পাৰে। ধন্যবাদ।

সকলোৱে একেলগে – ধন্যবাদ বাইদেউ! আমি সকলো সেইদিনা যাম।

**(সংগীত বাজিব)**

**দৃশ্য ৩**

(স্কুলৰ চৌহদ, গাড়ী, চাইকেল আদিৰ শব্দ, চাইকেলৰ টিলিঙা বজোৱাৰ শব্দ দিব পাৰ্ৰে। মানুহ অহা – যোৱা কৰা, কথা –বতৰা পতাৰ কিছু শব্দ হ'ব। স্কুলৰ বাহিৰত চামিয়াণাৰে অস্থায়ী ৰভাষজা হৈছে। সৰুকৈ মঞ্চও সজা হৈছে। ৰাইজ বহিবলৈ স্কুলৰ বেঞ্চবোৰ পাৰি দিয়া হৈছে)

নিৰ্মালি – (ৰায়চৌধুৰীলৈ ফোন কৰি সোধিব) হেল্ল? চৌধুৰী? ড০ বৰুৱা আহিছেনে?

চৌধুৰী – হয়। আমি পাচঁমিনিটৰ ভিতৰতেই গৈ পাম।

**(এনেতে গাড়ী ৰখাৰ শব্দ হ'ব। চৌধুৰীয়ে ড০ বৰুৱাক আগবঢ়াই লৈ আহিছে)**

নিৰ্মালি – (ৰাইজৰ ফালে চাই ক'ব) – অ' সৌৱা, তেখেত আহিছেই। নিৰ্মালিয়ে আহক, আহক – বুলি কি তেখেতক একেবাৰে অস্থায়ীভাৱে সজা মঞ্চত বহবলৈ দি, ৰাইজক উদ্দেশি ক'ব)
শ্ৰদ্ধেয় ৰাইজ! এখেত আজি আম্ৰ অতিথি – ড০ ৰমেশ চন্দ্ৰ বৰুৱা, যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগৰ অধ্যাপক। তেখেত অতি ব্যস্ত মানুহ। তেখেতে পৰিৱেশ বিজ্ঞানৰ ওপৰত যথেষ্ট গৱেষণা কৰি আছে। তেখেতে আজি কিদৰে সাৰুৱা ভূমি কালক্ৰমত খৰাং বতৰৰ বাবে মৰুভূমিলৈ পৰিণত হ'ব পাৰে সই সম্বন্ধে আপোনালোকৰ আগত বক্তব্য ডাঙি ধৰিব। আপোনালোকেও তেখেতৰ পৰা কিবা জানিব

বিচাৰিলে নিৰ্ভয়ে প্ৰশ্ন কৰিব পাৰে। তেখেতে ভাষণ দিয়াৰ পুৰ্বে তেখেতক সামান্য উপহাৰেৰে স্কুলৰ তৰফৰ পৰা আদৰণি জনাবলৈ মই আমাৰ ছাত্ৰী মুৰ্ছিদা আৰু অনিমাক অনুৰোধ কৰিছো।

মুৰ্ছিদা আৰু অনিমা -এখন শৰাই, ফুলাম গামোছা, এটা ফুলৰ তোৰা আৰু এটা গছপুলিৰে আদৰণি জনাব।)
(সকলোৱে হাত তালি দিব)

ড° বৰুৱা - নমস্কাৰ।মই আপোনালোকৰ মাজলৈ আহি দু আষাৰ ক'বলৈ পাই অতি আনন্দিত হৈছো। আপোনালোক সকলোৱে জানে যে , আমাৰ এই পৃথিৱী খনৰ কিছুমান ঠাই একেবাৰে শুকান, বালিময়, য'ত খেতি- বাতি মুঠেই নহয়। পানীৰ অভাৱ।এনে ঠাইক মৰূভুমি বোলা  হয়। পৃথিৱীখনৰ বিশাল ভূমিভাগৰ কোনো এটা ক্ৰমাৎ শুকান হৈ পৰাকে 'মৰু ভূমিকৰণ' বোলা হয়।

ৰমেন - মই এজন খেতিয়ক। আমাৰ অসমত তেনে অৱস্থা হব'ই নোৱাৰে। যিমান বৰষুণ হয়, বানপানীয়েহে আমাক জুৰুলা কৰে।

ড° বৰুৱা - আপুনি ঠিকেই কৈছে। কিন্তু নহ'ব বুলিও একো ক'ব নোৱাৰে। অহা ২/৩ বছৰ পাছত আমাৰ ইয়াতো বৰষুণ ন'হৈ অঞ্চলটো শুকান হৈ পৰিব পাৰে। যিদৰে জলবায়ুৰ পৰিবৰ্ত্তন হ'ব ধৰিছে, প্ৰকৃতিয়ে কোন সময়ত কি ৰূপ লয়, কোনে জানে? সেই কাৰণেই সময় থাকোতেই আমি সকলো সাৱধান হোৱা ভাল। নহয় জানো?

মনচুৰ আলি - ছাৰ! ময়ো এজন খেতিয়ক। মই ধানখেতিৰ লগতে শাক -পাচলিৰ খেতিও কৰো। এখন সাৰুৱা ভূমি কেনেকৈ মৰুভূমিলৈ পৰিণত হ'ব পাৰে, অলপ বুজাই ক'ব নেকি?

ড° বৰুৱা - মই মোৰ ছাত্ৰ - ছাত্ৰী সকলে তৈয়াৰ কৰা কেইখনমান 'পোষ্টাৰ' লগত আনিছো। সেইবোৰ আপোনালোকৰ চৌধুৰী ছাৰক স্কুলৰ বাৰান্দাৰ বেৰত লগাই দিয়াৰ ব্যৱস্থা কৰিবলৈ কৈছো। সেইবিলাক চালেও আপোনালোকে সুন্দৰকৈ বুজি পাব, কেনেকৈ এখন সাৰুৱা সেউজীয়া ভূমি বালিময় মৰুভূমিলৈ পৰিণত হয়। সাধাৰণতে যধে-মধে গছ কটাৰ ফলত একোখন বনাঞ্চল ধ্বংস হৈ যাব ধৰিছে। আপোনালোকে জানেনে? আমাৰ দেশৰ শতকৰা ৫২ ভাগ খেতি কৰা মাটিৰ কম বেছি পৰিমাণে সাৰুৱা গুণ নোহোৱা হ'ব ধৰিছে। প্ৰতিবছৰে এইদৰে গোটেই বিশতে ১২ নিযুত হেক্টৰ মাটিৰ সাৰুৱা গুণ নোহোৱা হৈ মৰিভূমিলৈ পৰিণত হৈছে, যি মাটিত প্ৰায় ২০ নিযুত টন বীজ ৰোপ কৰিব পৰা গ'লহেতেন। মানুহে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে বিভিন্ন কাৰণত বনাঞ্চল ধ্বংস কৰি আহিছে। আপোনালোকে জানি থোৱা ভাল হ'ব, বিশ্বত প্ৰতি মিনিটত ২০ হেক্টৰ বনাঞ্চল ধ্বংস হ'ব ধৰিছে।

অনিমা - আমি জনাই নাছিলো। গছ কটাৰ লগত এখন ঠাই শুকান হোৱাৰ কি সম্পৰ্ক আছে ছাৰ?

ড° বৰুৱা - সাধাৰণতে যেতিয়া এখন বনাঞ্চলৰ গছবোৰ কাটি পেলোৱা হয়, তেতিয়া সেই অঞ্চল বা তাৰ পৰা কিছুদূৰৰ ঠাইত বৰষুণৰ মাত্ৰা কমি যায়।

মুৰ্ছিদা – কেনেকৈ ছাৰ?

ড° বৰুৱা – কাৰণ প্ৰত্যেক গছেই মাটিৰ পৰা শিপাৰ সহায়ত শুহি লোৱা অতিৰিক্ত পানীখিনি পাতৰ সহায়ত বাষ্পাকাৰে বায়ুমণ্ডললৈ এৰি দিয়ে। সেই জলীয় বাষ্পই ঘনীভূত হৈ বৰষুণ হৈ পুনৰ পৃথিৱীত পৰে। এইদৰে জলীয় বাষ্পৰ চক্ৰ এটা প্ৰকৃতি জগতত চলি থাকে। গতিকে যিমানেই গছ কটা হ'ব সিমানেই এই প্ৰাকৃতিক চক্ৰটো বাধাগ্ৰস্ত হ'ব।

অনিমা আৰু মুৰ্ছিদা – এইবিলাক কথা আমি চিন্তাই কৰা নাছিলো।

ৰমেন – ছাৰ! অকল গছ কটাৰ বাবেই এখন ঠাই মৰিভূমি হ'ব পাৰে নেকি?

ড° বৰুৱা – ভাল প্ৰশ্ন কৰিছা। আন কাৰণো আছে – যেনে বতাহৰ প্ৰভাৱ, আৰু একেখিনি ঠাইতে যদি চৰণীয়া জন্তু, যেনে গৰু, ম'হ, ছাগলী আদিক সঘনে চৰিবলৈ দিয়া হয়, তেতিয়া সেই জন্তুবোৰে ঠাইখিনিৰ ঘাঁহ –বন, জোপোহা গছ আদিৰ পাত খাওঁতে খাওঁতে ঘাঁহ – বন নোহোৱা হৈ মাটিখিনি উন্মুক্ত হৈ পৰে। যলত মাটিখিনি ৰ'দৰ তাপত শুকাই যায়। এনে শুকান মাটিক প্ৰচণ্ড জোৰত বলা বতাহে সহজে এখন ঠাইৰ পৰা আন ঠাইলৈ উৰুৱাই লৈ যায়। এই কাৰ্য্য যদি কেইবাবছৰ ধৰি চলি থাকে, সেই ঠাইখনৰ ওপৰৰ সাৰুৱা মাটিভাগ নোহোৱা হৈ ক্ৰমাৎ শুকান বালিময় হৈ পৰে।

ৰমেন – আমি এইবোৰ কথা কেতিয়াও ভাৱিয়েই চোৱা নাই। আমি সদায় পাহাৰৰ নামনিতেই গৰু – ম'হবোৰ চৰিবলৈ দিওঁ। এতিয়া সেইবোৰ ঠাইত আমি পুনৰ গছো লগাই দিব লাগিব। নহয় জানো? ৰাউজ! কি কয়?

ৰাইজ – হয়, হয়। কথাতে কয় নহয়, ৰাইজে নখ জোকাৰিলে নদী বৈ যায়। আমি হাতে স্কামে লাগিলে পাহাৰৰ নামনি অঞ্চল পুনৰ সেউজীয়া কৰিব পাৰিম।

ড° বৰুৱা- আপোনালোকে বৰ ভাল কথা কৈছে। পিছে কি গছ লগাবনো?

ৰমেন – মই ভাৱিছো, উৰহী জাতীয় উদ্ভিদ, যেনে – কৃষ্ণচূড়া, ৰাধাচূড়া, মেদেলূৱা আদি। কাৰণ এইবোৰ গছ সোনকালে বাঢ়ে।

ড° বৰুৱা – ঠিকেই কৈছে। আৰু এটা কথা জানেনে? এইবোৰ গছৰ শিপাই মাটিত নাইট্ৰজেন ধৰি ৰখাত সহায় কৰে। ফলত মাটিখিনি সাৰুৱাও হয়।

ৰমেন আৰু মনচুৰ – সেইটো কথা আকৌ জনা নাছিলো।

অনিমা – বিশ্বৰ সকলো মহা দেশতে সাৰুৱা ভূমি মৰুভূমিলৈ পৰিণত হোৱা উদাহৰণ আছেনে?

ড° বৰুৱা – দক্ষিণ মেৰুৰ বাহিৰে প্ৰায় সকলোতে আছে। আফ্ৰিকা মহাদেশত সকলোতকৈ বেছি, গোটেই বিশ্বৰ ৩৭% অঞ্চল শুকান বালিময় ঠাই এই মহাদেশত আছে। এছিয়া মহাদেশত শুকান বালিময় ঠাই শতকৰা ৩৩% ভাগ। আমাৰ ভাৰতবৰ্ষত এনে মৰিভূমি ক'ত আছে তোমালোকে জানানে?

অনিমা আৰু মুৰ্ছিদা – হয় ছাৰ, ৰাজস্থানৰ থৰমৰুভূমি।

ড° বৰুৱা – সুন্দৰ। (এনেতে ড০ বৰুৱাই মনচুৰ আলি আৰু ৰমেন ডেকাৰ ফালে আঙুলিয়াই সুধিব -) আপোনালোক দুজনে কিবা ক'ব যেন লাগিছে, কি ক'ব বিছাৰিছে? নিৰ্ভয়ে ক'ব পাৰে। আপোনালোক দুজনৰ নাম কি? আপোনালোক দুজন সকলো ক্ষেত্ৰতে বৰ তৎপৰ যেন লাগিছে।

ৰমেন আৰু মনচুৰ – ছাৰ মোৰ নাম ৰমেন ডেকা। ছাৰ মোৰ নাম মনচুৰ আলি।

ড° বৰুৱা – সকলো ৰাইজ এওঁলোক দুয়োৰ দৰে হ'লে আমাৰ কোনো ক্ষেত্ৰতে কেতিয়াও বিপদ নহ'ব। পিছে আপোনালোকে কি ক'ব বিছাৰিছে? কওঁকছোন।

ৰমেন – ছাৰ! আপোনাৰ কথাৰ পৰা আমি এতিয়ালৈকে যিখিনি বুজিলো, মৰুভূমিকৰণ হোৱাটো এটা বিশ্বজনিত সমস্যা, নহয় জানো? এই ক্ষেত্ৰত চৰকাৰীভাৱে একো পদক্ষেপ হাতত লোৱা নাই নেকি?

ড° বৰুৱা – নিশ্চয়কৈ লৈছে। ১৯৯৪ চনৰ ১৭ জুনত ৰাষ্ট্ৰসংঘৰ দ্বাৰা এই বিষয়ে আলোচনা কৰিবলৈ এক সমিতি গঠন হয়. এই সমিতিৰ দ্বাৰা United Nations Convention to Combat Desertification (UNCCD) বুলি এখন চুক্তি কৰা হয়। এই চুক্তিত বিশ্বৰ অন্যান্য দেশৰ লগতে ভাৰতবৰ্ষইও স্বাক্ষৰ কৰে। এই চুক্তি মৰ্মে বিশ্বৰ সকলো দেশে প্ৰাকৃতিক সম্পদ সমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত সচেতন হোৱাত গুৰুত্ব প্ৰদান কৰা হয়। সেই চুক্তিৰ পাছৰ পৰাই ১৭ জুন তাৰিখটো গোটেই বিশ্বতে 'মৰুভূমিকৰণ প্ৰতিৰোধ দিৱস' হিচাপে পালন কৰা হয়। ১৯৯৫ চনৰ পৰা এই দিৱস আৰম্ভ হয়। সেইদিনে সভা – সমিতি পাতি কিদৰে এখন সাৰুৱা ভূমি মৰুভূমিলৈ পৰিণত হ'ব পাৰে সেই সম্পৰ্কে সৰ্ব্বসাধাৰণ ৰাইজক জ্ঞান দিয়া হয় আৰু বৃক্ষৰোপণ কাৰ্য্য আদিও কৰা হয়।

ৰাইজ একেলগে – আমি আজি বহুত নজনা কথা জানিব পাৰিলো। ইয়াৰ বাবে ছাৰক ধন্যবাদ জনোৱাৰ লগতে আমাৰ বাইদেউকো ধন্যবাদ জনাইছো।

নিৰ্মালি – মই আজি আমাৰ ইয়াতো বৃক্ষৰোপণ কাৰ্য্য আয়োজন কৰিছো। মই তাৰবাবে আমাৰ বন বিভাগৰ লগত যোগাযোগ কৰি প্ৰায় ১০০০ জোপা গছপুলিৰ যোগাৰ কৰিছো। সেই গছপুলি সকলোৱে লগাব লাগিব।

ড° বৰুৱা – আপুনি কি কি গছপুলিৰ যোগাৰ কৰিছে?

নিৰ্মালি – বেছিভাগ ফলৰ গছ, যেনে কল, আম, মধুৰিয়াম, বেল, কঠাল আদি। এইবোৰ গছ স্কুল চৌহদত লগাবৰ কাৰণে অনাইছো। তদুপৰি ৰাষ্টাৰ কাষত লগাবলৈ, আঁহত, নিম, কৃষ্ণচূড়া, নাহৰ, সোণাৰু আদি।

ছাত্ৰ -ছাত্ৰী (অনিমা আৰু মুৰ্ছিদা) – বাইদেউ! আমি কিন্তু গছ লগাম দেই।

নিৰ্মালি – নিশ্চয় লগাবা। মই চকিদাৰ আৰু মালীৰ হতুৱাই যোৱা কালিয়েই স্কুল চৌহদৰ বেৰৰ কাষে কাষে গাত কৰি ৰাখিছোৱেই, যাতে কেতিয়াবালৈ স্কুল ঘৰ বঢ়াব লগীয়া হ'লেও গছ কাটিব লগীয়া নহয়। পোন প্ৰথমে আমাৰ স্কুলৰ প্ৰৱেশদ্বাৰৰ সমুখত দুইজোপা নাহৰ গছ আমাৰ আজিৰ অতিথি ড০ ব্ৰুৱাক ৰোপণ কৰিবলৈ অনুৰোধ কৰিছো। ইয়াৰ আগতে মই ড০ বৰুৱাক আজিৰ সভালৈ আহি আমাক সকলোকে আনন্দিত কৰাৰ বাবে ধন্যবাদ জনাইছো আৰু সকলো ৰাইজকে ধন্যবাদ জনাই আজৰ সভা ভঙ্গ হোৱা বুলি ঘোষণা কৰিছো।

চৌধুৰী – ইয়াৰ লগতে মই আন এটা কথা ক'বলৈ বিচাৰিছো যে – আপোনালোক সকলোৱে দুপৰীয়াৰ আহাৰ ইয়াত গ্ৰহণ কৰি গ'লে আমি আনন্দিত হ'ম।

( সভা ভঙ্গ হ'ব। ৰাইজৰ মাজত এটআ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হ'ব। চকী, বেঞ্চ আদি টনাৰ শব্দ হ'ব।)

নিৰ্মালি – ড০ বৰুৱা! এইফালে আহক! ড০ বৰুৱা! ইয়াতে ৰোৱক, আৰু আনডাল ইয়াত ৰোৱক। (বাইদেউৱে গেটৰ সমুখত ঠাই দেখুৱাই দিব, সকলোৱে হাততালি দিব আৰু উৰুলি দিব)
এতিয়া সৌফালে কৰি থোৱা গাতত ছাত্ৰ – ছাত্ৰী সকলে গছপুলি ৰুব লাগিব। আৰু ৰাইজসকলক মই অনুৰোধ কৰিছো, তেওঁলোকে দুপৰীয়াৰ সাজ একেলগে খাই যোৱাৰ সময়ত আমাৰ চৌধুৰী ছাৰক লগ ধৰি প্ৰত্যেকেই যেন একোটাকৈ গছ পুলি লগত লৈ যায়।

ড° বৰুৱা – বাৰু, এটা কথা নহয়, ৰাইজ! আপোনালোকে গছপুলিবোৰ ক'ত লগাব?

ৰমেন – আমাৰ ঘৰৰ কাষেৰে যোৱা ঘাই পথৰ নিজ নিজ ঘৰৰ সমুখত লগাম বুলি ভাবিছো।

মনচুৰ আলি – কাৰণ, তেতিয়া আমি গছডালৰ সাদায় যত্ন ল'ব পাৰিম।
ড° বৰুৱা – বৰ ভাল কথা। আপোনালোকৰ প্ৰত্যেকৰে ঘৰত নিশ্চয় বাহঁ আছে? পুলিটো বাহেঁৰে বেৰি ৰাখিব। নহ'লে গৰু- ছাগলীয়ে খাই পেলাব।

ৰমেন – আমি সেই কাম নিশ্চয় কৰিম।

ড° বৰুৱা – বৰ ভাল কথা। আপোনালোকৰ উৎসাহ দেখি মই বৰ আনন্দিত হৈছো। আপোনালোকে কিন্তু 'পোষ্টাৰ' বোৰ চাই যাবলৈ নাপাহৰিব।

(ড° বৰুৱা ছাত্ৰ -ছাত্ৰীৰ ওচৰলৈ যাব)

ড° বৰুৱা – বাহ্! তোমালোকে দেখোন বৰ সুন্দৰকৈ লগাইছা গছপুলিবোৰ।

ছাত্ৰ – ছাত্ৰী – আমাক চৌধুৰী ছাৰ আৰু আন ছাৰ – বাইদেউ সকলে শিকেই দিছে।

ড° বৰুৱা – সচাঁকৈয়ে সুন্দৰ হৈছে। পিছে পানী দিছানে নাই?

ছাত্ৰ –ছাত্ৰী - দিছো ছাৰ। আমাক স্কুলৰ মালী, ৰঘূকাইয়ে সহায় কৰি দিছে।

ড° বৰুৱা – কিন্তু এটা কথা মনত ৰাখিবা। তোমালোকে নিজে ৰোৱা গছডালৰ যত্ন তোমালোকেহে কৰিবা, মালীকাইয়ে নহয়। কথাটো মনত থাকিবনে?

ছাত্ৰ – ছাত্ৰী – থাকিব ছাৰ।

ড° বৰুৱা – তেতিয়াহ'লে আজিলৈ তোমালোকক মই এৰিলো। ভৱিষ্যতে পুনৰ লগ পাম। অ' .. এটা কথা ক'বলৈ পাহৰিছিলোৱেই, প্ৰতি বছৰে ১৭ জুনত 'Combat Desertification Day' পালন কৰিবলৈ নাপাহৰিবা। তোমালোকলৈ শুভেচ্ছা থাকিল। আহিলো দেই।

ছাত্ৰ – ছাত্ৰী – ছাৰ! পুনৰ আহিব।

ড° বৰুৱা – নিশ্চয়।

নিৰ্মালি – ড০ বৰুৱা! দুপৰীয়াৰ সাজ একেলগে খাঁও, এইফালে মোৰ ৰুমলৈকে আহক। চৌধুৰী আপুনিও আহক।

(থাল আদি দিয়াৰ শব্দ হ'ব। সামান্য সংগীত দিব পাৰে)

*************************************************************

প্ৰশ্ন

১. মৰুভূমিকৰণ বুলিলে কি বুজায়?

উত্তৰ – পৃথিৱীখনৰ বিশাল ভূমিভাগৰ কোনো এটা সাৰুৱা অঞ্চল ক্ৰমাৎ শুকান বালিময় হৈ খেতি-বাতিৰ বাবে অনুপযোগী হৈ পৰাকে 'মৰুভূমিকৰণ' বোলা হয়।

২. বিশ্বত কেতিয়াৰ পৰা মৰুভূমিকৰণ প্ৰতিৰোধ দিৱস উদযাপন কৰা হৈছে?

উত্তৰ – ১৯৯৫ চনৰ ১৭ জুনৰ পৰা।

*************************************************************